**This Question Paper consists of 27 questions and 4 printed pages.**

**Roll No.** | | | | | | | | | | | | | **Code No. 58/S/A/A**

**Set-A**

# ASSAMESE
# (অসমীয়া)
# (228)

**Day and Date of Examination** ______________________

**Signature of Invigilators** 1. ______________________

2. ______________________

## সাধাৰণ নিৰ্দেশাৱলী ঃ

1 প্ৰশ্ন কাকতৰ প্ৰথম পৃষ্ঠাত পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নং সঠিককৈ লিখিব ।

2 পৰীক্ষাৰ্থীয়ে প্ৰশ্ন কাকতৰ প্ৰথম পৃষ্ঠাৰ শীৰ্ষত উল্লেখ কৰা মতে প্ৰশ্ন বহীখনত মুঠ প্ৰশ্নৰ সংখ্যা ক্ৰমানুসাৰে আছে নে নাই আৰু পৃষ্ঠাৰ সংখ্যা ঠিক মতে আছে নে নাই নিশ্চিত হৈ লব লাগিব ।

3 বস্তুনিষ্ঠ প্ৰশ্নৰ ক্ষেত্ৰৰ (A), (B), (C), (D) বিকল্প সমুহৰ পৰা যি কোনো এটা শুদ্ধ উত্তৰ বাছি বেলেগে দিয়া উত্তৰ বহীত তাক চিহ্নিত কৰিব ।

4 বস্তুনিষ্ঠ প্ৰশ্ন সহিতে সকলোবোৰ প্ৰশ্নৰ উত্তৰ নিৰ্দিষ্ঠ সময়ৰ ভিতৰত কৰিব লাগিব । বস্তুনিষ্ঠ প্ৰশ্নৰ বাবে বেলেগে কোনো অতিৰিক্ত সময় দিয়া নহব ।

5 নিৰ্দিষ্ঠ স্থানত বাহিৰে প্ৰশ্ন - উত্তৰ বহীৰ অন্য কোনো স্থানত ৰোল নং বা পৰীক্ষাৰ্থীৰ চিনাক্ত কৰণৰ যিকোনো তথ্য লিখিলে পৰীক্ষাৰ্থীৰ পৰীক্ষা বাতিল হব ।

6 উত্তৰ বহীত প্ৰশ্ন কাকতৰ সাংকেতিক সংখ্যা Code No. **58/S/A/A-A** উল্লেখ কৰিব ।

# ASSAMESE

(অসমীয়া)

**(228)**

সময় : 3 ঘন্টা ] [পূৰ্ণমান : 100

---

নিৰ্দেশ ঃ সকলো প্ৰশ্নৰ উত্তৰ কৰা বাঞ্ছনীয় ।

সাধাৰণ নিৰ্দেশাৱনী ঃ

**(1)** পৰীক্ষাৰ্থীয়ে প্ৰতিটো প্ৰশ্নৰ তলত দিয়া স্থানত উত্তৰ লিখিব লাগিব । যদি উত্তৰ লিখাৰ স্থান কম হয় তেনে হলে শেষত দিয়া অতিৰিক্ত পৃষ্ঠাৰ প্ৰথমতেই প্ৰশ্ন নং লিখিব লাগিব ।

**(2)** বহুমুখী (Multiple Choice) প্ৰশ্নৰ ক্ষেত্ৰত পৰীক্ষাৰ্থীয়ে বিকল্প বিলাকৰপৰা সঠিক উত্তৰ বাছিব লাগিব আৰু (A), (B), (C) অথবা (D) ৰ ভিতৰত যিটো সঠিক সৈইটো প্ৰশ্নৰ সম্মুখত দিয়া বাকচত লিখিব লাগিব ।

**(3)** পৰীক্ষাৰ্থীয়ে একমাত্ৰ ফ্লেপৰ (Flap) নিৰ্দিষ্ট স্থানত নিজৰ ৰোল নং, নাম, পৰীক্ষা কেন্দ্ৰ সংখ্যা লিখিব লাগিব ।

---

**1** ‘জীৱন জেউতি’ নামৰ কবিতাটিৰ কবিগৰাকীৰ নাম লিখা । **1**

**2** কাৰ মুখ্‌খনি বিষাদৰ ছাঁই আৱৰি ধৰিছে ? **1**

**3** ‘কাকুতি’ (বৰগীত) কবিতাটি কি ৰাগত বন্ধা আছে ? **1**

**4** নদী হে কবিয়ে জনমভূমিৰ কি পখালিম বুলি কৈছে ? **1**

**5** অসমক প্ৰাচীন কালত কি নামেৰে জনা গৈছিল ? **1**

**6** দ্ৰাবিড়সকলে পোনতে ভাৰতবৰ্ষৰ কোন অঞ্চলত বসবাস কৰিছিল ? **1**

**7** কম্পিউটাৰৰ প্ৰধান অংশ কেইটা ? **1**

**8** খাৰুপাত বেচি ঘুনুচাই কিমান পইচা পাইছিল ? **1**

9 হিন্দু শাস্ত্র মতে যুগ কেইটা ? 1

10 ইংৰাজ শাসক বৰ্গই কোন চনত মনিৰাম দেৱানক ফাঁচি দিছিল ? 1

11 শান্তিৰ চৰাইযুৰিক কবিয়ে কি দিছে ? 2

12 শৰৎ কালত কি কি তিনিটা পৰিবৰ্তন হয় ? 2

13 কণমাই কোন ? তেওঁ টোপোলাটোত কি আনিছিল ? 2

14 'গড়গাওঁ' কবিতাটিৰ মতে যুঁজ কৰাৰ বাহিৰেও সৈন্যসকলে কি কৰিছিল ? 3

15 মানুহবোৰে দোলন আৰু ধৰ্মকান্তক কেনেকৈ ঘৰলৈ আনিলে ? 3

16 শৰত্কালত বণিক, মুনি আৰু ৰজাসকলে কি কৰে ? 3

17 প্ৰসংঙ্গ সংগতি দৰ্শাই ব্যাখ্যা কৰা : 5×2=10

(ক) সময়ৰ টিকনিডাল হেনো আগফালে ।

(খ) এৰ ভব্ গহন বন আতি মোহ পাশে ছন্ন

তাতে হামু হৰিনা বেড়াই ।

ফান্দিলো মায়াৰ পাশে কালে ব্যাধে ধায়া আসে

কাম ক্ৰোধ কুণ্ডা খেদি খাই ।।

18 'গড়গাঁও' অথবা 'জন্মভূমি' কবিতাটোৰ সাৰাংশ লিখা । 6

19 ''আজি তই যি অন্তৰ্বিপ্লৱ আনি ৰাজকাৰেঙত সুমুৱালিহি । ভায়ে ভায়ে বিবাদ লগালিহি, এয়ে খাণ্ডৱদাহনত পৰিনত হব ।'' - বহলাই বুজাই লিখা । 5

20 'অসমীয়া সংস্কৃতিৰ অন্যতম সমাদ হ'ল - ধৰ্মমূলক নৃত্য সমূহ' - বুজাই লিখা । 4

21 তোমাৰ অঞ্চলত মেলেৰীয়া ৰোগে দেখা দিছে । এই ৰোগৰ প্ৰতিকাৰ বিচাৰি বাতৰি কাকতৰ সম্পাদকৰ জৰিয়তে জনস্বাস্থ্য কাৰিকৰী বিভাগলৈ এখন চিঠি লিখা । 8

22 এটা শব্দত প্ৰকাশ কৰা : (যিকোনো পাঁচটা) 1×5=5

যাৰ কোনো আশ্ৰয় নাই, যিয়ে আনৰ উপকাৰ পাহৰি যায়, দেশৰ প্ৰতি যি ভক্ত, পানীৰে যোৱা কাঠৰ যি বাহন, যাক বিশ্বাস কৰিব নোৱাৰি, একে মাকৰ সন্তান, যত মানুহৰ শুশ্ৰূষা কৰা হয় ।

23 বাক্য ৰচনা কৰা : (যিকোনো পাঁচটা) 1×5=5

পানীত হাঁহ নচৰা, জাকত জিলিকা, কপাল কুটা, চকু মুদা, জহিখহি যোৱা, ছেগা-চোৰোকাকৈ, অজীন পাতকী ।

24 সন্ধি ভাঙা আৰু পাতা : (যিকোনো পাঁচটা) 1×5=5

চলাচল, নগৰীয়া, বনাঞ্চল, হস্ত + অন্তৰ, দুঃ + চৰিত্ৰ, সম্ + কাৰ ।

25 বিপৰীতাৰ্থক শব্দ লিখা : (যিকোনো পাঁচটা) 1×5=5

সঁচা, স্বাধীন, উপযুক্ত, জাৰ, গ্ৰহন, সুখীয়া ।

26 ভাৱ-সম্প্ৰসাৰণ কৰা : (যিকোনো দুছোৱা) 6×2=12

(ক) পঢ়ে পচুৱায় ৰোৱে পান, এই তিনি নিচিন্তে আন ।

(খ) স্বদেশ আৰু স্বজাতিৰ মংগলদুৱাৰ হ'ল ভাষা ।

(গ) পুৰি অধ্যয়ন বিদ্যা আৰ্জনৰ ঘাই উপায় ।

27 তলৰ যিকোনো এটা বিষয়লৈ এখন ৰচনা লিখা : 10

পুথি ভৰাঁল, তোমাৰ প্ৰিয় গ্ৰন্থ, অসমৰ বাতৰিকাকত, অসমৰ প্ৰাকৃতিক সৌন্দৰ্য ।